৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

RNI REG
e
Portal
e-mail

# অসম আদিত্য

আমল
'চি' থা
বৃ
আমল
মত

১১ আহাৰ, ১৯৪৮ শক ■ শুক্ৰবাৰ, ২৬ জুন, ২০২৬ ■ Asom Aditya, Dibrugarh, Friday, June 26, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰ

## কানৈ মহাবিদ্যালয়ত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানৰ সামৰণি

**ষ্টাফ ৰিপৰ্টাৰ, ২৫ জুন ঃ** স্বায়ত্তশাসিত মহাবিদ্যালয়সমূহে গৱেষণামূলক কৰ্মৰাজিক অধিক গুৰুত্ব দিয়া উচিত। গৱেষণামূলক কৰ্মৰাজিৰ বাবে মহাবিদ্যালয়সমূত শৈক্ষিক পৰিৱেশ, আন্তঃগাঁথনি, প্ৰয়োজন অনুসৰি অনুদান, বৃত্তিমূলক আঁচনি ৰূপায়ণত মনোনিৱেশ কৰা উচিত। ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰ, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ যৌথ উদ্যোগত আৰু সংস্কৃত, দৰ্শন বিভাগৰ সহযোগত হাইব্ৰীড মাধ্যমত অনুষ্ঠিত আন্তঃৰাষ্ট্ৰীয় বক্তৃতানুষ্ঠানত সমলব্যক্তি হিচাপে উপস্থিত থাকি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰাধ্যাপক তথা গৱেষণা আৰু উন্নয়ন বিভাগৰ ডীন ড০ পংকজ দাসে আজি এইদৰে কয়। ড০ দাসে কয়— ইয়াৰ বাবে যাৱতীয় ব্যৱস্থাসমূহ সময়সাপেক্ষে কৰ্তৃপক্ষ অথবা বিভাগীয় মুৰব্বীসকলে লোৱা উচিত। 'স্বায়ত্তশাসিত মহাবিদ্যালয়ৰ গৱেষণাৰ পৰিস্থিতি তন্ত্ৰ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি ড০ দাসে কয়— স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰমতে গৱেষণাধৰ্মী বিষয়বস্তু অন্তৰ্ভুক্ত কৰা উচিত। তেওঁ লগতে ভিন্ন বিষয়ক তথা সহযোগাত্মক কাৰ্যপন্থা অৱলম্বনত গুৰুত্ব প্ৰদান কৰে। শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সমন্বয়ক অধ্যাপিকা বিনী শইকীয়াই আঁত ধৰা অনুষ্ঠানটিত আদৰণী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই কয়— এজন শিক্ষকে শ্ৰেণীকোঠা পৰিচালনা কৰাতো জনাৰ দৰকাৰ। প্ৰশিক্ষণে এজন শিক্ষকক শ্ৰেণীকোঠাৰ শৃংখলা ৰক্ষা কৰা, সময় ব্যৱস্থাপনা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ধণাত্মক চিন্তা গঢ়ি তোলাত সহায় কৰে। অধ্যক্ষগৰাকীয়ে কয়— শিশু আৰু কিশোৰ-কিশোৰীৰ মনস্তত্ব বুজাত সহায় কৰে প্ৰশিক্ষণে। তেওঁ কয়— শিক্ষাৰ্থীৰ সৃষ্টিশীলতা বৃদ্ধিত প্ৰশিক্ষিত শিক্ষকে সহায় কৰিব পাৰে। শিক্ষকৰ প্ৰশিক্ষণৰ মাজেদি অভিভাৱক, সহকৰ্মী, শিক্ষানুষ্ঠানৰ প্ৰশাসনৰ স'তেও সু-সম্পৰ্ক গঢ়াত সহায় কৰে। অধ্যক্ষ ড০ শইকীয়াই কয়— প্ৰশিক্ষণে শিক্ষকৰ যোগাযোগ দক্ষতা বৃদ্ধি কৰিব পাৰে। শিক্ষা ব্যৱস্থাৰ সামগ্ৰীক গুণগত মান উন্নয়নৰ বাবে শিক্ষক প্ৰশিক্ষণেই আটাইতকৈ ডাঙৰ সঁজুলি বুলি মত প্ৰকাশ কৰি কয়— এজন প্ৰশিক্ষিত শিক্ষকেহে এখন শিক্ষানুষ্ঠানক উৎকৃষ্ট মানদণ্ডলৈ লৈ যাব পাৰে। আজিৰ এই বক্তৃতানুষ্ঠানৰ দৰে কাৰ্যসূচীয়ে মহাবিদ্যালয়খনৰ লগতে দেশ আৰু সমাজৰ উত্তৰণৰ স'তে জড়িত থকা শিক্ষকসকলৰ দক্ষতা, গুণগত চিন্তা, দৰ্শন বৃদ্ধি কৰিব বুলি নিশ্চিতভাৱে ক'ব পাৰি। অনুষ্ঠানটিত মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড০ লখিৰাম শইকীয়া, উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দীপংকজ গগৈ, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতি প্ৰসাদ ফুকন, শিক্ষক প্ৰশিক্ষণ কেন্দ্ৰৰ সমন্বয়ক ড০ মৌচুমী হাজৰিকাৰ লগতে ভালেসংখ্যক অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে। শেষত শলাগ জ্ঞাপন কৰে সংস্কৃত বিভাগৰ অধ্যাপিকা ড০ চয়নিকা গোস্বামীয়ে।